NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 06-10-2022
Time : 1340 Hrs

# ASSAMESE MIDDAY BULLETIN

## HEADLINES

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাশ্মীৰ সন্দৰ্ভত পাকিস্তানৰ সৈতে আলোচনাৰ সম্ভাৱনা নুই কৰিছে।

২। আইন মন্ত্ৰী কিৰেণ ৰিজিজুৱে কৈছে যে চৰকাৰে জনপ্ৰতিনিধিত্ব আইনৰ সংশোধনৰ জৰিয়তে গুৰুত্বপূৰ্ণ নিৰ্বাচনী সংস্কাৰ সাধনৰ উদ্দেশ্যে নিৰ্বাচন আয়োগৰ সৈতে আলোচনা কৰি আছে।

৩। মঙ্গলবাৰে হিমস্খলণৰ ফলত উত্তৰাখণ্ডৰ দ্ৰৌপদীৰ দাণ্ডা ২ পৰ্বত শিখৰত আৱদ্ধ হৈ পৰা ২৯ গৰাকী লোকৰ ভিতৰত ৯ গৰাকীৰ শ'ৰ দেহ উদ্ধাৰ কৰা হৈছে।

৪। গুজৰাটত অনুষ্ঠিত ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত ছাৰ্ভিচেজে ৪০টা সোণ, ২৫টা ৰূপ আৰু ২৪টা ব্ৰঞ্জসহ মুঠ ৮৯টা পদকেৰে নিজৰ আধিপত্য অক্ষুন্ন ৰাখিছে।

*আৰু*

৫। টি-২০ বিশ্ব কাপত অংশ গ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটো আজি অষ্ট্ৰেলিয়ালৈ ৰাওনা হৈছে।

oooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাশ্মীৰ সন্দৰ্ভত পাকিস্তানৰ সৈতে আলোচনাৰ সম্ভাৱনা নুই কৰিছে। জম্মু কাশ্মীৰৰ বাৰামুলাৰ এখন জনসভাত ভাষণ দি শ্ৰীশ্বাহে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে অঞ্চলটোৰ পৰা সন্ত্ৰাসবাদ পুলিয়ে পোখাই উৎখাত কৰিব আৰু পাকিস্তানৰ সৈতে কোনো ধৰণৰ আলোচনা নহয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ জম্মু কাশ্মীৰৰ জনসাধাৰণৰ সৈতে আলোচনা কৰিব খোজে পাকিস্তানৰ সৈতে নহয়। তেওঁ কয় যে জম্মু কাশ্মীৰত ৭০ বছৰ ধৰি শাসন কৰা সকলে এতিয়া চৰকাৰক পাকিস্তানৰ সৈতে আলোচনা কৰিবলৈ পৰামৰ্শ দিছে। নিৰ্বাচন আয়োগে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰাৰ পাছত সম্পূৰ্ণ স্বচ্ছতাৰে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত গণতন্ত্ৰ তৃণমূল পৰ্যায়লৈ সম্প্ৰসাৰিত হৈছে।

শ্ৰীশ্বাহ কালি শ্ৰীনগৰত প্ৰায় ২ হাজাৰ কোটি টকাৰ ২৪০টা উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে বাৰামুলাত কেইবাকোটি টকাৰ ভালেমান প্ৰকল্পৰ শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীক সম্প্ৰতি ৩ দিনীয়া ভ্ৰমণসূচীৰে জম্মু কাশ্মীৰত আছে।

oooooooooo

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি অক'লেণ্ড নিউজিলেণ্ডৰ বিদেশ মন্ত্ৰী নানেয়া মহুতাৰ সৈতে আলোচনা মিলিত হয়। এটা টুইট্ বাৰ্তাত ড০ জয়শংকৰে কয়ে যে এই আলোচনা ফলপ্ৰসু আছিল। তেওঁ কৈছে পৰম্পৰা আৰু সংস্কৃতিক সন্মান কৰা দুয়োখন দেশ পাৰস্পৰিক সম্বন্ধৰ দিশত আগবাঢ়িছে। দুয়োগৰাকী নেতাই কৈছে যে দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি হ'লে আমাৰ শক্তি, ব্যৱসায়, প্ৰযুক্তি, ডিজিটেল শিক্ষা, প্ৰতিভা

আৰু কৃষি ক্ষেত্ৰ সুদৃঢ় হ'ব। তেওঁলোকে কৈছে যে জলবায়ু পৰিবৰ্তন, মহামাৰী আৰু সামুদ্ৰিক সুৰক্ষাৰ লগতে বিশ্বৰ আন বিষয়সমূহ সমাধান কৰাৰ ক্ষেত্ৰত দ্বিপাক্ষিক সম্বন্ধ বৃদ্ধি কৰিব পাৰিব। ড০ জয়শংকৰে ভাৰত-প্ৰশান্ত মহাসাগৰ আৰু ইউক্ৰেনৰ সংঘৰ্ষৰ দৰে আন আন্তৰাষ্ট্ৰীয় বিষয়সমূহৰ ক্ষেত্ৰত তেওঁলোকেৰ মতামতৰ প্ৰশংসা কৰিছে। তেওঁ কৈছে ভাৰতে দুয়োখন দেশে ৰাষ্ট্ৰ সংঘ আৰু কল্যাণকামী ৰাষ্ট্ৰসমূহকে ধৰি বিভিন্ন মঞ্চত একেলগে কাম কৰাত গুৰুত্ব আৰোপ কৰে। বিদেশ মন্ত্ৰীগৰাকীয়ে লগতে কোৰিড মহামাৰীৰ ফলত প্ৰভাৱিত হোৱা ভাৰতীয় ছাত্ৰসকলৰ বিষয় উত্থাপন কৰে। তেওঁ নিউজিলেণ্ডত অধ্যয়নৰ বাবে আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলক ভিছা প্ৰদান প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰাৰ বাবে আহ্বান জনায়।

ড০ জয়শংকৰে আজি নিউজিলেণ্ডৰ প্ৰধান মন্ত্ৰী জেসিণ্ডা অৰ্ডেনেৰ সৈতে এটা কাৰ্যসূচীত অংশ ল'ব। য'ত নিউজিলেণ্ডত থকা ভাৰতীয়সকলক তেওঁলোকে আগবঢ়োৱা উল্লেখযোগ্য সাফল্য আৰু অৱদানৰ বাবে সন্মানিত কৰা হ'ব। দুয়োগৰাকী নেতাই দেশখনত **আজাদী কা অমৃত মহোৎসৱ** উদযাপন আৰু ইয়াক প্ৰদৰ্শন কৰাৰ বাবে India@75 শীৰ্ষক এটা ডাক টিকট উন্মোচন কৰিব। তেওঁ লগতে Modi@20: Dreams Meet Delivery নামৰ এখন কিতাপ উন্মোচন কৰিব। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শিখ সম্প্ৰদায়ৰ প্ৰতি বিশেষ সম্বন্ধক প্ৰতিফলিত কৰি Heartfelt-The Legacy Of Faith নামৰ আন এখন গ্ৰন্থ উন্মোচন কৰিব।

০০০০০০০০০০

আইন মন্ত্ৰী কিৰেণ ৰিজিজুৱে কৈছে যে চৰকাৰে জনপ্ৰতিনিধিত্ব আইনৰ সংশোধনৰ জৰিয়তে গুৰুত্বপূৰ্ণ নিৰ্বাচনী সংস্কাৰ সাধনৰ উদ্দেশ্যে নিৰ্বাচন আয়োগৰ সৈতে আলোচনা কৰি আছে। শ্ৰীৰিজিজুৱে এখন বাতৰি কাকতক দিয়া সাক্ষাৎকাৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে নিৰ্বাচনী প্ৰক্ৰিয়া অধিক স্বচ্ছ আৰু জৱাবদিহি কৰি তোলাৰ বাবে কেতবোৰ নিৰ্বাচনী আইনৰ সংশোধন সময়ৰ আহ্বান হৈ পৰিছে। শ্ৰীৰিজিজুৱে কয় যে চৰকাৰে ইতিমধ্যে নিৰ্বাচন আয়োগৰ সৈতে জনপ্ৰতিনিধিত্ব আইন আৰু অন্য নিৰ্বাচনী নিয়মৰ গুৰুত্বপূৰ্ণ পৰিৰ্বত সম্পৰ্কে অধ্যয়ন কৰাৰ বাবে নিৰ্বাচন আয়োগৰ সৈতে বিশদ আলোচনাত মিলিত হৈছে। পৰিবৰ্তিত সময় আৰু পৰিস্থিতি অনুযায়ী গুৰুত্বপূৰ্ণ নিৰ্বাচনী সংস্কাৰৰ বাবে আলাপ আলোচনাৰ অন্তত চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।

০০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগৰ জলপাইগুৰীত দুৰ্গা পূজা প্ৰতিমা বিসৰ্জনৰ সময়ত কেইবাজনো লোকে প্ৰাণ হেৰুৱা ঘটনাত দুখ প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী কাৰ্যালয়ে এটা টুইট বাৰ্তাত প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা এই দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়াললৈ ২লাখ টকা আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ দিয়া হ'ব বুলি জানিবলৈ দিছে।

০০০০০০০০০০

মঙ্গলবাৰে হিমস্খলণৰ ফলত উত্তৰাখণ্ডৰ দ্ৰৌপদীৰ দাণ্ডা ২ পৰ্বত শিখৰত আৱদ্ধ হৈ পৰা ২৯ গৰাকী লোকৰ ভিতৰত ৯ গৰাকীৰ শৱ দেহ উদ্ধাৰ কৰা হৈছে। ইয়াৰ ভিতৰত ২ গৰাকী প্ৰশিক্ষক আৰু ৭ গৰাকী পৰ্বতাৰোহী আছে। আৱদ্ধ পৰ্বতাৰোহীসকলৰ ভিতৰত থকা অসমৰ দ্বীপশিখা নামৰ যুৱতী গৰাকীৰ বৰ্তমানলৈকে সন্ধান পোৱা হোৱা নাই।

ইফালে পৰ্বতাৰোহীসকলক উদ্ধাৰ কৰাৰ বাবে চলাই থকা অভিযানত জম্মূ কাশ্মীৰৰ এটা বিশেষজ্ঞ দলে যোগ দিছে। ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনীয়ে কৈছে যে দলটোৱে পাহাৰৰ উচ্চ শিখৰত অভিযান চলাব।

ইপিনে ভাৰতীয় বায়ুসেনা বাহিনীয়ে উদ্ধাৰ অভিযানত সহায় কৰাৰ বাবে ২খন হেলিকপ্টাৰ নিয়োগ কৰিছে। হেলিকপ্টাৰ ২খনেৰে কেইবাগৰাকীও পৰ্বতাৰোহীক প্ৰায় ১২ হাজাৰ ফুট উচ্চতাত অৱস্থিত মূল শিৱিৰৰ পৰা উদ্ধাৰ কৰা হৈছে।

০০০০০০০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগৰ বাবে অংশকালীন বাতৰি সম্পাদক আৰু বাতৰি পৰিৱেশক তথা অনুবাদক বাছনিৰ বাবে অহা ১৬ অক্টোবৰত গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। অংশকালীন বাতৰি পৰিৱেশক তথা অনুবাদকৰ বাবে দিনৰ ১০ বজাৰ পৰা ১ বজালৈ আৰু বাতৰি সম্পাদকৰ বাবে বিয়লি ২ বজাৰ পৰা ৫ বজালৈ লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। লিখিত পৰীক্ষাৰ বাবে বাচনিত অন্তৰ্ভুক্ত হোৱা পৰীক্ষাৰ্থীসকলে পৰীক্ষা আৰম্ভ হোৱাৰ আধা ঘণ্টা আগেয়ে পোৱাকৈ পৰীক্ষা কেন্দ্ৰত উপস্থিত হ'বলৈ কোৱা হৈছে। পৰীক্ষাৰ্থীসকলে নিজৰ নাম আৰু এই সন্দৰ্ভৰ বিতং তথ্যৰ বাবে newsonair.gov.in বেৱচাইট চাব পাৰে। কোনো পৰীক্ষাৰ্থীকে আকাশবাণীৰ তৰফৰ পৰা পৃথককৈ এডমিট কাৰ্ড প্ৰেৰণ কৰা নহয়।

০০০০০০০০০০

গুজৰাটত অনুষ্ঠিত ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত ছাৰ্ভিচেজে ৪০টা সোণ, ২৫টা ৰূপ আৰু ২৪টা ব্ৰঞ্জসহ মুঠ ৮৯টা পদকেৰে নিজৰ আধিপত্য অক্ষুন্ন ৰাখিছে। হাৰিয়ানাই ২৫ সোণ, ২২টা ৰূপ আৰু ১৯টা ব্ৰঞ্জৰ পদকেৰে পদক তালিকাৰ দ্বিতীয় স্থানত আছে। আনহাতে মহাৰাষ্ট্ৰই ২৪টা সোণ, ২২টা ৰূপ আৰু ৪২টা ব্ৰঞ্জৰ পদক লাভ কৰি তৃতীয় স্থানত আছে। অসমে এতিয়ালৈকে ৬টা সোণ, ৭টা ৰূপ আৰু ৫টা ব্ৰঞ্জসহ মুঠ ১৮টা পদকেৰে পদক তালিকাৰ চতুৰ্দশ স্থানত আছে।

প্ৰতিযোগীতাত আজি পুৱা আকাৰ্শী কাশ্যপে মালৱিকা বনছড়ক পৰাস্ত কৰি বেডমিণ্টনৰ মহিলাৰ ছিংগলছৰ খিতাপ দখল কৰে। ইফালে মহিলাৰ আৰ্চাৰীৰ ব্যক্তিগত শাখাৰ ৰিকাৰ্ভ শিতানৰ ব্ৰঞ্জৰ পদকৰ বাবে হোৱা খেলত পঞ্জাৱৰ ছিমৰণজিৎ কৌৰে জয়লাভ কৰে। কালি কেৰালাৰ ছাজন প্ৰকাশে পুৰুষৰ সাঁতোৰৰ ২০০ মিটাৰ বাটাৰ ফ্লাইত সোণৰ পদক লাভ কৰে। এই শিতানত অসমৰ বিক্ৰম চাংমাই ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে পশ্চিমবংগৰ ছানু দেৱনাথে ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

০০০০০০০০০০

টি-২০ বিশ্ব কাপত অংশ গ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটো আজি অষ্ট্ৰেলিয়ালৈ ৰাওনা হৈছে। দলটোৱে ছিদনীলৈ যোৱাৰ পূৰ্বে পাৰ্থলৈ যাব তাত দলটোৱে নিউজিলেণ্ড আৰু আয়োজক দেশ অষ্ট্ৰেলিয়াৰ সৈতে দুখন প্ৰস্তুতিমূলক খেলত অংশ ল'ব। বিশ্ব কাপত ভাৰতে ২৩ অক্টোবৰত পাকিস্তানৰ সৈতে প্ৰথমখন খেলত ভাগ ল'ব। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বৰ্ডে তেওঁলোকৰ চৰকাৰী টুইটাৰ হেণ্ডেলত মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড় আৰু ভাৰতৰ সকলো খেলুৱৈৰে এখন ফটো চেয়াৰ কৰিছে। ইয়াৰ পূৰ্বে বি চি চি আইয়ে ১২ ছেপ্তেম্বৰত ৰোহিত শৰ্মাক অধিনায়ক আৰু কে এল ৰাহুলক উপ-অধিনায়ক সহ ১৫ জনীয়া ভাৰতীয় দলটো ঘোষণা কৰিছিল।

০০০০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলখন কিছু সময়ৰ পাছত লক্ষ্ণৌত অনুষ্ঠিত হ'ব। শৃংখলাৰ বাকী দুখন খেলৰ এখন ৯ অক্টোবৰত ৰাঁচীত আৰু আনখন ১১ অক্টোবৰত দিল্লীত খেলোৱা হ'ব।

oooooooooo

দেশত বৰ্তমানলৈকে ৰাষ্ট্ৰজোৰা কোৱিড প্ৰতিষেধক প্ৰদান অভিযানৰ অধীনত ২১৮ কোটি ৮৪ লাখৰো অধিক পালি দিয়া হৈছে। ইয়াৰে ভিতৰত যোৱা  ২৪ ঘণ্টাত ৭৯ হাজাৰৰো অধিক পালি প্ৰতিষেধক প্ৰদান কৰা হয়। দেশত যোৱা ২৪ ঘণ্টাত ২ হাজাৰৰো অধিক লোকৰ দেহত কোৱিডৰ সংক্ৰমণ ধৰা পৰে। ইয়াৰ বিপৰীতে এই সময়ছোৱাত ৩ হাজাৰৰো অধিক কোৱিড ৰোগী সুস্থ হৈ উঠে। ইয়াকে লৈ দেশত বৰ্তমানলৈকে সুস্থ হৈ উঠা লোকৰ সংখ্যাই ৪ কোটি ৪০ লাখ ৪৩ হাজাৰ অতিক্ৰম কৰিছে। সেই অনুসাৰে দেশত কোৱিডৰ পৰা আৰোগ্যৰ হাৰ ৯৮ দশমিক ৭-৪ শতাংশ হৈছে। দেশত সম্প্ৰতি ৩২ হাজাৰৰো অধিক চিকিৎসাধীন কোৱিড ৰোগী আছে।

দেশত যোৱা ২৪ ঘণ্টাত ১ লাখ ২২ হাজাৰৰো অধিক নমুনা পৰীক্ষা কৰা হয়। ইয়াকে ধৰি দেশত বৰ্তমানলৈকে কৰা পৰীক্ষাৰ সংখ্যা ৮৯ কোটি ৬২ লাখৰো অধিক হৈছে।

oooooooooo

সমাপ্ত